বিজ্ঞান ধাৰাৱাহিক

খণ্ড – ৩৪ ৰচনা – অৰ্পণ দত্ত

বহনক্ষম আহৰণ

(ঘোষনা আৰু সংগীত)

চৰিত্ৰ সমূহ

১. অসীমা

২. হিৰণ্য

৩. সীমা

৪. দিগন্ত

৫. কৈলাশ

৬. বাবা

(কলিংবেল বাজি উঠে। দুৱাৰ খোলাৰ শব্দ ভাঁহি উঠে)

অসীমা – অ' ভিনদেউ, বজাৰৰ পৰা আহি পালেহিয়েই নেকি? বাঃ বেগচোন গধুৰ! বস্তুৰে বেগ একেবাৰে ভৰাই আনিছে যেন পাওঁ। কি আছেনো ভিনদেউ বেগত?

হিৰণ্য – বেগ ভৰাইনো কি আনিবা, আনিবলৈনো কি আছে অসীমা। এতিয়া শাকৰ সময়। এতিয়া বজাৰত নতুন শাক ওলাইছে আৰু এই সময়তে শাকবোৰ খায়ো ভাল লাগে। সেয়ে ভাবিলোঁ – অলপ শাককে লৈ যোবা যাওঁক। বজাৰত অৱশ্যে কবি, লেচেৰা, বেঙেনা আদিও কিছু পৰিমাণে ওলাইছে। কিন্তু সিবিলাক অসময়ত উলিওৱাৰ হেতুকে তাত বহু পৰিমাণে সাৰ আৰু দৰব দিয়া হয় বুলি বদনাম থকাৰ তেতুকে সিবিলাকৰ ওচৰ নাচাপি শাককে অলপ লৈ আহিছোঁ।

অসীমা – ঠিক আছে দিয়ক। ভিনদেউ, আপুনি বজাৰৰ পৰা আহিছে নহয় হাত-মুখ ধোৱকগৈ। মই অলপ চাহ বনাই আনোগৈ।

হিৰণ্য – অ' হ'ব দিয়া।

(ক্ষন্তেক বিৰতিসূচক ধ্বনি)

হিৰণ্য – (চাহত সোহা মাৰি) – বাঃ চাহৰ ৰঙেই চাবানে সোৱাদেই চাবা – অতি সুন্দৰ চমৎকাৰী দেই! বায়েৰে বনাই দিয়া চাহচোন সদায় খাই থাকো। কিন্তু এনে তৃপ্তি, এনে স্বাদ? সচাঁই অপূৰ্বহে! (হাঁহি হাঁহি) হয়নে নহয় বাৰু সীমা তুমিয়েই কোৱাচোন!

সীমা – সঁচাই, চাহকাপ ভাল হৈছে ভন্টী! বাৰু হেৰি নহয় – বজাৰৰ পৰা ভিনিয়েৰে কি মাছ আনিছে – তই দেখিছিলি নহয়?

সীমা – আজি বজাৰত ইলিচ মাছ নাপালে নেকি?

হিৰণ্য – পাইছিলো। বজাৰৰ কেবাটাও স্থানত ইলিচ মাছ বিক্ৰী কৰি থকা দেখিছিলো। মইহে ইচ্ছা কৰিয়েই আজি নানিলোঁ। কাৰণ, যি দেখিছো – ইয়াক খোৱাত জোৰ দিয়াটো অণ্যায় কাম হ'ব!

অসীমা – কিয় ভিনদেউ?

হিৰণ্য – প্ৰকৃততে ইলিচ মাছ মোৰ অতি প্ৰিয়। স্বাদৰ ক্ষেত্ৰত ইয়াক মই মাছৰ ৰজা বুলি অভিহিত কৰোঁ। ইয়াৰ গন্ধও অতি আকৰ্ষণীয়। তুমি ইয়াক যেনেকৈয়ে নোখোৱা লাগিলে কিয়, সচাঁই মাছ খোৱা যেন লাগে। তথাপি বজাৰত কম দামত পায়ো যে মই আজি ইলিচ নানিলো কিয় জানা?

অসীমা – নাজানো ভিনদেউ!

সীমা – এতিয়া ইলিচৰ পেটত কণী ভৰি থাকে। আৰু কণী থকা মাছ খাবলৈ সোৱাদ নলগা হয়। সেয়ে হয়তো নানিলে!

হিৰণ্য – সেইটো অৱশ্যে আংশিকভাৱেহে সত্য। কিয়নো কণী হ'লেও অন্য অন্য মাছৰ দৰে ইলিচৰ সোৱাদ তেনেদৰে নকমে।সেয়া বাৰু বাদ। মই অন্য এক কাৰণৰ বাবেহে আচলতে আজি ইলিচ কিনাৰ পৰা বিৰত থাকিলোঁ।

অসীমা – কি কাৰণ ভিনদেউ?

হিৰণ্য – তোমালোকে মন কৰিছানে বাৰু – একোজনী মাছৰ পেটত কিমান কণী থাকে? চাবাছোন, দেখিবা লাখৰ ঘৰত কণী থাকে।

সীমা – কি, লাখৰ ঘৰত থাকে?

হিৰণ্য – অ, তেনেকুৱাই! এতিয়া চোৱাঁ – এক লাখকণী খোৱা মানে এক লাখ সম্ভাব্য ইলিচৰ সৃষ্টি নাশ কৰা। কিন্তু তাৰ পৰিৱৰ্তে কণী পাৰি উঠাৰ পাছত মাছ একোজনী মাৰি খালে নতুন মাছৰ সৃষ্টিয়ে তেনেকুৱা বহু মাছৰ ঠাই পূৰণ কৰি তুলিব পাৰিব।

অসীমা – কিন্তু মাছ যে প্ৰ'টিনৰ এক উত্তম উৎস ভিনদেউ। নোখোৱাকৈ কেনেকৈ থাকিব?

হিৰণ্য – সেয়া মই কৈছোৱেইচোন, কণী পাৰি উঠাৰ পাছত খৱাততো মই আপত্তি কৰা নাই। কৰিছোঁ কেৱল এই সময়ত খোৱাতহে কাৰণ এই সময়ত ইলিচ মাছে কণী পৰাৰ সময়। গতিকে দুদিন পাছত খালেই হ'ল। আনফালেদি অন্য মাছতো খাবলৈ আছে নহয়! সেয়া হিচাপত খালেই হ'লচোন!

অসীমা – ভিনদেউ। এতিয়া বোলে বজাৰত ইলিচেই ইলিচ। কিয় এই সময়ত ইমান ইলিচ ওলাইছে?

হিৰণ্য – কি ক'বা, যোৱা কিছুদিন ধৰি বজাৰত, আনকি ৰাস্তাৰ কাষতো ইলিচ মাছ পোৱা গৈছে। সেয়ে দামো অতি কম। যি ইলিচ আগেয়ে ৮০০ বা হাজাৰ টকাত কিনিব লগা হৈছিল সেই ইলিচ এতিয়া এশ –ডেৰশ টকাতে পোৱা গৈছে।

সীমা – ইলিচ মাছবোৰ ধৰিছে ক'ত?

হিৰণ্য- সাধাৰণতে ইলিচবোৰ কিছু দ আৰু সোঁত থকা পানীৰ নিবাসী। সেয়ে আমাৰ ব্ৰহ্মপুত্ৰৰ নামনি অংশৰ পৰা আৰম্ভ কৰি পদ্মাৰ মোহনা অংশ পৰ্যন্ত বিস্তাৰিত ৰূপত ইহঁতক পোৱা যায়। ইহঁত কণী পৰাৰ আগেভাগে সোঁতৰ বিপৰিতে জাক পাতি উজাই আহে। তেনে অৱস্থাত উজান উঠা বুলি কোৱা হয়। মন কৰিব লগা যে এনে অৱস্থাত সিহঁতক ধৰাটো অতি সহজ হৈ পৰে। গতিকে এই উজানৰ সময়তে অসমৰ ধুবুৰীৰ সমীপত মাছমৰীয়া সকলে ব্যাপক ৰূপত ধৰি বিক্ৰী কৰাৰ ব্যৱস্থা কৰে। কিন্তু এইবছৰ তেনেকৈ ধৰা ইলিচৰ পৰিমাণ বৃদ্ধি হোৱাৰ হেতুকে বজাৰত বেছি পৰিমাণে উপলব্ধ হৈছে।

অসীমা – তেনেহঁলে ভিনদেউ এই সময়ত ইলিচ খোৱাটো অনুচিত হৈছে নহয়?

হিৰণ্য – হৈছে, হৈছে। সেয়ে এতিয়া খোৱাটো মই বাদেই দিছোঁ।

সীমা – মানুহে খাবল্লি বাদ দিলে, ইলিচ ধৰাৰ হাৰো কমি যাব!

হিৰণ্য – হয়। মই অৱশ্যে ইলিচ খোৱাটো সম্পূৰ্ণভাৱে বাদ দিয়াৰ কথা কোৱা নাই। কেৱল সাময়িকভাৱে বাদ দিয়াৰ কথা কৈছোঁ।

অসীমা – মানে?

হিৰণ্য – উজানৰ পাছত মাছে কণী পৰা হৈ যাব। গতিকে তেতিয়া ডাঙৰ মাছ একোটা বা একোজনী ধৰি খালেও বিশেষ ক্ষতি নহ’ব। কিয়নো সিহঁতৰ বিপৰীতে লাখৰ ঘৰত নতুন মাছৰ উৎপত্তি ঘটিব। অৰ্থাৎ প্ৰকৃতিৰ ভাৰসাম্য বিনষ্ট নহ’ব।

অসীমা – তেনেকৈ সকলোৱে ভাবিলে চাগৈ প্ৰকৃতিত বস্তুৰ অভাৱেই নহ’ব! এচাম মৰিব, টাৰ ঠাইত এচাম নতুনৰ সৃষ্টি হ’ব!

হিৰণ্য – অ, আমাৰ লক্ষ্য তেনে হোৱাটোৱেই উচিত। আমি কৰা আহৰণ কাৰ্যৰ দ্বাৰা যাতে প্ৰকৃতি বিনষ্ট নহয় তাৰ প্ৰতি যত্নপৰ হোৱাই আমাৰ উদ্দেশ্য হোৱা উচিত। তাকেই কোৱা হও বহনক্ষম আহৰণ।

(কলিংবেল মাজি উঠে)

হিৰণ্য – সীমা, চোঁৱাচোন কোন আহিছে?

(দুৱাৰ খোলাৰ শব্দ)

সীমা – অ দিগন্ত! আহা, আহা। বহা। আমাৰ বাবাটোক ওচৰৰে এঘৰৰ ছ্ৱালী এজনীৰ আজি জন্মদিনৰ বাবে মাতিছিল। তালৈ গৈছে। মই পিছে সোনকালে আহিবলৈ কৈছো। তাক মনত পেলাই দিছোঁ - । আজি টিউচনৰ বাৰ নহয়, দিগন্ত চাৰ আহিব। গতিকে তুমি সোনকালে গুচি আহিবা।

হিৰণ্য – দিগন্ত, বাবা সোনকালে আহিব। তুমি অকণমান বহা। আমাৰ খুলশালী অসীমাও আজি ইউনিভাৰচিটিৰ হোষ্টেলৰ পৰা আহিছে।তোমাৰ লগত চিনাকি কৰি দিওঁ। অসীমা, এওঁ দিগন্ত। আমাৰ অতি ঘৰুৱা।

অসীমা – নমস্কাৰ দাদা।

দিগন্ত- নমস্কাৰ।

হিৰণ্য – এওঁ বৰ চোকা ল'ৰা। দেখিছা অসীমা, এঁও দেখাত যিমান ধুনীয়া পঢ়াতো সিমানেই ধুনীয়া। ইলেকট্ৰনিক ইঞ্জিনিয়াৰিঙৰ এমটেকৰ পৰীক্ষা দি উঠিছে। ৰিজাল্ট ওলোৱাৰ পাছত চাকৰি পাই যাব। গতিকে এই মাজৰ আজৰি সময়খিনিত আমাৰ বাবাক অংক বিষয়টো অলপ দেখুৱাই দিবলৈ কৈছোঁ। সেইমতে তেওঁ আহি আছে।

সীমা – দিগন্ত অকণমান বহা। মই চাহ একাপ বনাই আনোগৈ।

দিগন্ত – নালাগে বাইদেউ। নালাগে।

হিৰণ্য – হ'ব দিয়া ডেকালৰা, চাহ একাপ খালে একো ক্ষতি নহয়। যোৱা অসীমাও যোৱা সুন্দৰকৈ চাহ একোকাপ বনাই আমাক খুওৱাহি।

অসীমা – হ'ব ভিনদেউ।

হিৰণ্য – বুজিছা দিগন্ত – এই অসীমা বৰ ভাল ছোৱালী। পঢ়া – শুনাত ভাল আৰু কামবিলাক অতি পৰিপাতি। অতি হিচাপী আৰু মিতব্যয়ী। বয় – বস্তু তাই অপচয় বা অপব্যয় নকৰে।

দিগন্ত – অপব্যয় নকৰাটো সঁচাই অতি ভাল গুণ। আৰু বৰ্তমানৰ সময়ত অতি দৰকাৰীও।

হিৰণ্য – হয়, অতি দৰকাৰী। সমস্ত জগত জুৰি আজি সম্পদৰ নাটনি প্ৰকট হ’ব লাগিছে। গতিকে এনে সময়ত আমি আহৰণ সীমিত কৰিব লাগিব আৰু অপচয় ৰোধ কৰিব লাগিব। নহ’লে বিপদ অনিবাৰ্য।

অসীমা – চাহ দিছোঁ। দাদা খাওকচোন! এই কাপ ভিনদেউৰ, খাওক!

হিৰণ্য – বাঃ সুন্দৰ দেই! দিগন্ত খোৱা, গৰমে গৰমে খোৱা।

দিগন্ত – হয়, হয় দাদা, সচাঁই সুন্দৰ।

(ফোন বজাৰ শব্দ)

হিৰণ্য – হেল্ল’ – কোনে কৈছে? কোনে? অ ব্ৰজেন – কোৱা, কোৱা। অ, কি কৈছা? বাৰু কোৱাচোন – অ মই ঘৰত সুধি চাব লাগিব। তোমাক পাছত জনাম বাৰু। অ... ঠিক আছে ৰাখিছোঁ।

দিগন্ত – কোননো দাদা, কোনে ফোন কৰিছিলেনো?

হিৰণ্য – এ, নকবা আৰু দিয়া। কাম নোহোৱা মানুহৰ কাম বুজিছা। তেওঁক তুমি হয়তো চিনি নাপাবা। তেওঁ আমাৰ স্বৰ্ণজ্যোতি ক্লাবৰ সদস্য। তেওঁৰ নাম ব্ৰজেন বৈশ্য।

দিগন্ত  - কি হ’লনো তেওঁৰ?

হিৰণ্য – এহ, কি ক’বা – অহা দেৱালীৰ ৰাতি ক্লাবৰ ফিল্ডত সদস্য সকলৰ সমূহীয়া খানা খোৱাৰ কথা পাতিছে। মোৰ খাবৰ মন নাই বুজিছা!

দিগন্ত – কিয় দাদা?

হিৰণ্য – এহ, কি ক’বাহে – যেতিয়াই – তেতিয়াই কেৱল খানা খোৱাৰেই কথা। আৰু খানা বুলিলেতো জানাই নহয়। মাছ  থাকিব, লগত ভুবিধমান মাংস। মাংসৰো আকৌ ফ্ৰাই, পোৰা আদি ভাগে ভাগে বুজিছা!

দিগন্ত – হয়, সেইবোৰ নহ'লে যেন খানাই নহ'ব, তেনেহে লাগে।

হিৰণ্য – এহ নকবা আৰু! সকলোৰে মুখত কেৱল খোৱাৰেই কথা। কিন্তু ৰাজ্যত নিজা উৎপাদন বা স্বনিৰ্ভৰ্শীলতা একোতে নাই। আমিষহাৰী প্ৰধান ৰাজ্য এখনত কেৱল মাছৰ ক্ষেত্ৰতহে কিছু উৎপাদন হয়  যদিও সেইখিনিয়ে ৰাজ্যবাসীৰ বাবে তেনেই সামান্য।

দিগন্ত – হয়, বাহিৰৰ চালানী মাছ নাহিলে একেদিনাই হাহাকাৰ লাগি যাব। বাকী কণী, হাঁহ, কুকুৰা বা ছাগলী আদিৰ উৎপাদন নাই বুলিলেও বঢ়াই কোৱা নহ'ব!

হিৰণ্য – খাবলৈ একো নাই – কিন্তু সকলোৰে চিন্তা খোৱাৰহে। ঠিক আছে খাইছা খোৱা বাৰু, তাত আপত্তি নাই। কিন্তু নিজাববীয়াকৈ ৰাজ্যত কৰিলোৱাৰ প্ৰতি প্ৰচেষ্টা নাই কিয়? ইয়াকে কয় বোলে খাবলৈ নাই কণটো, বৰসবাহলৈ মনটো।

দিগন্ত – আচলতে উৎপাদন নাই, কিন্তু আহৰণ চলিছে দুৰ্বাৰ গতিত। গতিকে কণী, মাংস আদিৰ মূল্য বৃদ্ধি আৱধাৰিত নহ'ব জানো?

হিৰণ্য – হয়, তুমি একেবাৰে সত্য কথাকে কৈছা। আমাৰ আহৰণ বহনক্ষম হোৱা নাই। এতেকে বিপদ অনিবাৰ্য।

দিগন্ত – হয় দাদা। উৎপাদণৰ পৰিমাণৰ তুলনাত আহৰণকাৰীৰ সংখ্যা বহু বেছি। সেয়েহে অভাৱ দিনে দিনে বাঢ়ি যোৱাটো ধুৰুপ।

হিৰণ্য – হয়, সেয়ে সকলো বস্তুৰে মূল্য বৃদ্ধি পাব লাগিছে।

(বাহিৰত কথা পতা আৰু ভৰিৰ শব্দ)

দিগন্ত – দাদা, বাহিৰত কোনোবা অহাৰ শব্দ পোৱা গৈছে। কোনোবা আহিছেনেকি?

হিৰণ্য – হয়, সেয়া বাবা আহিছে আৰু লগত কাৰোবাক লৈ আহিছে।

(দুৱাৰত টোকৰ পৰে। দুৱাৰ খুলি দিয়ে)

হিৰণ্য – বাবা আৰু কৈলাশদা। আহক দাদা, আহক। বহক। পিছে ক'ৰপৰা আহিলে দাদা?

কৈলাশ – অ' কম বাৰু। পিছে এঁও কোন?

হিৰণ্য – এওঁক চিনি পোৱা নাইনেকি?

কৈলাশ – ঠিক পাইছো বুলি ক'ব নোৱাৰোঁ। কিন্তু মাজে মাজে দেখা পাই থাকোঁ।

হিৰণ্য – এওঁ আমাৰ বজাৰৰ কাষৰ ডাঙৰ বাৰী থকা ঘৰটোৰ বাসিন্দা যে গোস্বামী ছাৰ, তেখেতৰ ল'ৰা।

কৈলাশ – অ, গোস্বামী ছাৰৰ ল'ৰা। তোমাৰ নামটো কি?

দিগন্ত – নমস্কাৰ। মোৰ নাম দিগন্ত গোস্বামী।

কৈলাশ – অ, নমস্কাৰ। তুমি পিছে কৰি আছা কি?

দিগন্ত – এতিয়ালৈ নিবনুৱা। অলপতে ইলেকট্ৰনিক ইঞ্জিনিয়াৰিঙৰ এম-টেকৰ পৰীক্ষা দি উঠিছোঁ।

কৈলাশ – বৰ ভাল, বৰ ভাল। মনটো অলপ প্ৰতিযোগিতেমূলক হ'বা খালি, আৰু দূৰদৰ্শিতাৰে যত্ন কৰিবা। সফলতে আহি যাব চিন্তা নাই। অ, তুমি উঠিলাই দেখোন!

দিগন্ত – হয় খুৰা। আপুনি বহক। মই কাষৰ কোটাটোতে বাব্ৰ সৈতে আছোঁ।

কৈলাশ – যোৱাঁ। মোৰ অলপ কথা আছে এওঁলোকৰ লগত পাতোঁ। অ হিৰণ্য – তুমি সুধিছিলা নহয়, ক'ৰ পৰা মই আহিলোঁ। সেয়া কম বাৰু। তাৰ আগেয়ে সীমাকো মাতি দিয়া। একেলগে কম। নহ'লে একেবোৰ কথাকে তেওঁকো কৈ থাকিব লাগিব নহয়। তেওঁক মাতি দিয়া।

হিৰণ্য – সীমা, অলপ আহাচোন। কৈলাশদা আহিছে।

সীমা – দাদা ভালনে? কেইদিনমান আপোনাক দেখা নাই। ক'ৰ পৰা আহিলনো?

কৈলাশ – কম দিয়া। একে প্ৰশ্ন হিৰণ্যয়ো কৰিছিল। ভাগে ভাগে একেবোৰ কথাকে কৈ থকাতকৈ একেলগে দুয়োৰে আগতে ক'লে মোৰ বাক্যব্যয় কম হ'ব আৰু শ্ৰোতাও পাম দুজন!

সীমা – (হাঁহি হাঁহি) এ, দাদাৰো যে কথা আৰু!

কৈলাশ – বাৰু তোমালোকৰ ভাত হ'লনে নাই?

সীমা – কিয় সুধিলে দাদা?

কৈলাশ – তোমালোকৰ ঘৰত নাখাওঁ দিয়া, চিন্তা নকৰিবা! এইকাৰণেই সুধিলো যে আমি বুঢ়া হৈছো। এতিয়া কাম কম, কথা বেছি। তাতেই মহাবিদ্যালয় – বিশ্ববিদ্যালয়ত ছাত্ৰ –ছাত্ৰীৰ আগত কথা কৈয়েই বুঢ়া হ'লো। এতিয়া তোমাক বহুৱাই লৈ যদি দীঘলীয়া কথা ক'বলৈ লাগো, তেন্তে তোমালোকৰ খানা যাব আজি।

সীমা – নাই, আজি তেনে চিন্তা নাই। কিয়নো ভন্টী অসীমা আহিছে আজি। পাকঘৰত তায়েই আজি হেডকুক, মই যোগালীহে আজি।

কৈলাশ – তেতিয়াহ'লে ঠিকেই আছে। বহা। মই আহিলো আচলতে বৈকুণ্ঠ কাকতিহঁতৰ ঘৰৰ পৰা এতিয়া।

সীমা – অ, তেওঁলোকৰ ঘৰত আজি ছোৱালীজনীৰ বাৰ্থডে নহয়! তেওঁলোক আপোনালোকৰ সম্পৰ্কীয় নহয়, সেইকাৰণেই আহিল বোধহয়!

কৈলাশ – তুমি ঠিকেই কৈছা – আমি সম্পৰ্কীয় বাবে আহিলোঁ। পিছে মই সৰু সৰু ল'ৰা – ছোৱালীৰ বাৰ্থডেত ডাঙৰৰ অনুপ্ৰৱেশ বৰ বেছি পচন্দ নকৰোঁ।

হিৰণ্য – মযো নকৰী। সেয়ে আমাকো মাতিছিল যদিও নগ’লো। ল’ৰাটোকে পঠাই দিলোঁ।

কৈলাশ- ভালেই কৰিলা। কিন্তু তাতচোন সৰুবৰ নামতহে। গোটেইখন ডাঙৰেৰে কাৰবাৰ। পদূলি মুখত গাড়ীয়েই গাড়ী। ভিতৰতো মানুহৰ গুমগুমনি। বাহিৰতো এখন সৰু ৰভা। এখন বিয়াঘৰ যেনহে লগা হৈছে।

সীমা – ডাঙৰ মানুহ কিমান আছিল দাদা?

কৈলাশ – সৰুতকৈ ডাঙৰৰ সংখ্যা বেছি আছিল। নহ’বনো কিয় – সৰুৰ এটা অহাৰ বিপৰিতে কমেও দুজন আহিছে ডাঙৰ মানুহ। গতিকে সংখ্যা বৃদ্ধি অৱধাৰিত।

হিৰণ্য – খানা কেনেকুৱা আছিল?

কৈলাশ – খানাটো জানাই – আজিৰ দিনৰ কথা। মাছ, মাংস, পনিৰ, কণী সকলো আছিল। চেল্ফ চাৰ্ভিচ ল’ব লাগে, খাব লাগে। গতিকে খাই ভাল পোৱাজনক আৰু পায় কোনে!

সীমা – মই নাই খোৱা। কিবা দেখিলেই বা পালেই বেছিকৈ খোৱা মানুহ মই নহয়। এডোখৰ মাছ লৈ ভাজি, দাইল আদিৰে ভোকৰ ভাতকেইটা খালোঁ। বচ হৈ গৈছে।

হিৰণ্য – দাদা, ইমান ব্যয়বহুলভাৱে বাৰ্থডে একোটা আয়োজন জানো অপ্ৰয়োজনীয় বা অপচয় নহয়?

কৈলাশ – কিয় নহ’ব? তুমি একেবাৰে সত্য কথআকে কৈছা। মই ভাবো বাৰ্থডেৰ প্ৰ্যোজনেই নাই। তোমাৰ পাতিছিলনে নাই মই নাজানো কিন্তু মোৰ হ’লে বাৰ্থ ডে আজিলৈ পাতিয়েই পোৱা নাই। মোৰনো কি লাভ লোকচান হৈছে কোৱাছোন (সামান্য ভাৱে হাঁহে)।

সীমা – দাদা, বেয়া নাপাব – যুগৰ পৰিবৰ্ত্তন হৈছে। আজৰ চামৰ ডাঙৰ, সৰু সকলোৱে ইয়াক সমৰ্থন কৰে। গতিকে আমাৰ ইচ্ছা নাথাকিলও ল’ৰা – ছোৱালীক আমেজ আৰু আনন্দ খোৰাক যোগোৱাৰ বাবে এনে উৎসৱৰ প্ৰয়োজন নাই বুলি কোৱাটো উচিত হ’ব জানো দাদা?

কৈলাশ – বুজিছা সীমা – এই প্ৰক্ৰিয়াটো আমি প্ৰতিযোগিতাৰ মানসিকতাৰে চলাই গৈছো কাৰণে ই ব্যয়বহুল পৰম্পৰাৰ ৰূপ পাব ধৰিছে। কোনা কিমান খৰচ কৰিব পাৰে, কোনে কিমান অপচয় কৰিব পাৰে তাৰে প্ৰতিযোগিতা চলিছে  আজি।

হিৰণ্য – বাৰ্থ ডে পাতিলেও ল'ৰা – ছোৱালীৰ মাজতে সীমিত ৰাখিলে নতুবা কম শৰচত অনাড়ম্বৰভাৱে পাতিলেতো আপত্তিৰ স্থল নাথাকিব নহয়! কিন্তু সেয়া যে কোনেও নকৰে আজিকালি।

কৈলাশ – কেলে নহয় হিৰণ্য! আচলতে উদযাপনৰ প্ৰক্ৰিয়াটোৱেই হৈছে পাশ্চাত্য ধৰ্মী, বিশেষকৈ ইংৰাজৰ। আমি শুভকামনাও প্ৰকাশ কৰোঁ ইংৰাজীত। সেয়া বাৰু বাদ – পতাই পাতিব। পাতি থাকক। কেৱল ব্যয়বহুল আৰু অপচয় হ'ব নালাগে। নহয় জানো?

সীমা – দাদা, আমি কথাহে পাতি আছো। আপোনাক ইমানপৰে সোধাই নাই – বাৰু একাপ আনোনেকি?

কৈলাশ – নালাগে সীমা। মই বৈকুণ্ঠহঁতৰ ঘৰত চাহ –ভাত খায়েই আহিছো। গতিকে এতিয়া আৰু পুনৰ একো খোৱাৰ মন নাই। বহা, বহা, ক্ষন্তেক কথাকে পাতোঁ।

হিৰণ্য – অ দাদা, অপচয়ৰ কথা ওলাই আছিলে নহয়। আমাৰ পাৰ্টী বা বিয়া-সবাহত সদায় অপচয় হৈয়েই থাকে। আজি বাৰু বৈকুণ্ঠহঁতৰ ঘৰত খাদ্যৰ অপচয় হ'বনে নাই?

কৈলাশ – মানুহে খাই উঠাৰ পাছত কিমান বস্তু ৰৈ যায় সেইটো সঠিককৈ ক'ব নোৱাৰি। তথাপি মোৰ ধাৰণাত অপচয় হোৱাৰ সম্ভাৱনাই অধিক। আনফালে, য'ত মাছ বা মাংস কিবা এবিধ হ'লেও হয়, তেনেস্থলত বিধে বিধে খাদ্যসম্ভাৰ লৈ খোৱাৰ সময়ততো ভালেখিনি দ্ৰব্য অপচয় হোৱাটো নিশ্চিত।

হিৰণ্য – দাদা, ভাৰতবৰ্ষৰ দৰে খাদ্য নাটনিত ভোগা দেশ এখনত জানো অপচয় ঘটোৱাটো উচিত কাম হ'ব?

কৈলাশ – নিশ্চয় নহয়। কি ক'বা – আমাৰ দেশৰ ৪৩ শতাংশ লোকে খাদ্য অভৱত ভোগে, ৬০ শতাংশ মহিলা আৰু শিশুৱে বোলে পুষ্টিকৰ খাদ্যৰ পৰা বঞ্চিত। তেনেস্থলতো কিন্তু দেশত প্ৰতি বছৰে ৯৫,০০০ কোটি টকাৰ খাদ্য নষ্ট হয় বুলি পোহৰলৈ আহিছে।

হিৰণ্য – কি আচৰিত – আমাৰ দেশত বছৰি ৯৫,০০০ কোটি টকাৰ খাদ্য নষ্ট হয়! ই এক বিৰাট ক্ষতি দেশৰ বাবে দেই!

কৈলাশ – নক'বা আৰু! এই তথ্য অলপতে ব্যক্ত কৰিছে ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ প্ৰাক্তন সঞ্চালক চুব্বা আয়াপ্পানে।

সীমা – এনে হোৱাৰ ফলত আমাৰ দেশৰ কেনে ক্ষতি হৈছে বাৰু দাদা?

কৈলাশ – বিস্তৰ ক্ষতি হৈছে সীমা। চোঁৱা, খাদ্য শস্য নষ্টৰ ফলত খাদ্য নাটনিৰ পৰিসৰ বৃদ্ধি পাইছে। ইফালে আকৌ জনসংখ্যা ভয়াৱহভাৱে নিতে বৃদ্ধি পায়েই আছে। গতিকে এই বৰ্ধিত জনসংখ্যাৰ বাবে অধিক খাদ্য আহৰণত জোৰ দিব লগা হয়। পৰিণতি অধিক প্ৰাকৃতিক সম্পদ ধ্বংস কৰাটো বাধ্যতামূলক দৰে হৈ পৰিব। তাৰ কুপ্ৰভাৱ আকৌ পৰিৱেশৰ ওপৰত পৰিব। আৰু যদি প্ৰাকৃতিক পৰিৱেশ বিনষ্ট হয় তেন্তে এই পৃথিৱী বসবাসৰ অনুপযোগী হৈ যাব। সেইবোৰ বহু কথা বুজিছা।

হিৰণ্য – আমাৰ দেশৰ জনসংখ্যা বৃদ্ধিৰ ৰেহ –ৰূপ কেনেকুৱা বাৰু দাদা?
কৈলাশ – জনসংখ্যা বৃদ্ধিৰ কথা কি ক'বা। প্ৰকৃততে দেশত জনবিস্ফোৰণ ঘটিছে। এতিয়া অলপ তথ্য শুনা। আগৰ কথা বাৰু বিদ দিছো। আমাৰ দেশ স্বাধীন হোৱাৰ সময়ত দেশৰ জনসংখ্যা আছিল ৩৭.৫ কোটি। এই সংখ্যা বাঢ়ি ২০০১ চনত হয়গৈ ১০২.৭ কোটি। ২০১১ চনত হয়গৈ ১২১.২ কোটি। আৰু বৰ্তমান কিমান হৈছে বাৰু সীমা, জানানে?

সীমা – ভালকৈ নাজানো, দাদা।

কৈলাশ – এতিয়া হৈছেগৈ ১২৩ কোটিৰো অধিক। একেবাৰে সঠিক সংখ্যাটো কব নোৱাৰি। কিয়নো প্ৰতিদিনে ৫০,৪০৪ জনকৈ বৃদ্ধি পায় বুলি তথ্য পোৱা যায়।

সীমা – ইমান বেছি! বাঃ।

কৈলাশ – অ, সেইবাবেইতো সমগ্ৰ বিশ্বৰ ভিতৰত জনসংখ্যাৰ দিশত ভাৰত এতিয়া দ্বিতীয় স্থানত, প্ৰথমত চীনদেশ। এতিয়া চোঁৱা ইমান বৃহৎ সংখ্যক মানুহৰ অন্ন, বস্ত্ৰ, বাসস্থান আদি যোগানৰ বাবে

মানুহে অৰণ্য ধ্বংসৰ লগতে অন্য প্ৰাকৃতিক সম্পদ কৰাটো বাধ্যতামূলক হৈ পৰিবই। গতিকে প্ৰাকৃতিক পৰিৱেশ বিনষ্ট হোৱাটো স্বাভাৱিক।

হিৰণ্য – তাতেই যদি খাদ্যৰ অপচয় তীব্ৰ ৰূপত চলি থাকিবলৈ হয় তেন্তে প্ৰাকৃতিক ভাৰসাম্য অধিক নষ্ট নহ'ব জানো?

কৈলাশ – নিশ্চয় হ'ব। এনে ক্ষতিকাৰক কাৰ্য কমোৱাৰ বাবে সনসংখ্যাৰ বৃদ্ধি প্ৰতিহত কৰিব লাগিব।

সীমা – সেইটো বাস্তৱত সম্ভৱ জানো?

কৈলাশ – সেইটো সম্পুৰ্ণভাৱে বন্ধ কৰাটো কেতিয়াও সম্ভৱ নহয়। কিন্তু নিয়ন্ত্ৰণ কৰিব পাৰি। অৱশ্যে সম্প্ৰতি কিছু কৰাও হৈছে। তাৰ পাছত আমি বিশেষভাৱে জোৰ দিব লাগিব আমাৰ প্ৰাকৃতিক দ্ৰব্য আহৰণ কম কৰা আৰু ই যাতে বহনক্ষম হয় তালৈও বিশেষ গুৰুত্ব দিব লাগিব।

হিৰণ্য – সেই সন্দৰ্ভত আমাৰ জাতিৰ পিতা মহাত্মা গান্ধীয়েও কিবা এষাৰ বহুমূলীয়া পৰামৰ্শ আগবঢ়াইছিল। কি আছিল জানো মনত পৰা নাই!

কৈলাশ – আমাৰ জাতিৰ পিতাজনে কৈছিল – 'প্ৰকৃতিয়ে আমাৰ প্ৰয়োজন পূৰণৰ বাবে লগা সমলখিনি ঠিকমতেই দিছে। কিন্তু আমাৰ লোভ লালসাইহে সিবিলাক অকূলনীয় কৰি তুলিছে।

হিৰণ্য – সঁচা, আমাৰ লোভ – লালসাৰ পৰিমাণ বৃদ্ধি হোৱাৰ বাবেহে আমাক বস্তুৱে নোজোৰা হৈছে আৰু অধিক আহৰণত নামি পৰিব লগা হৈছে। ফলত প্ৰকৃতি বিনষ্ট হৈছে, পৰিৱেশ ৰোগাগ্ৰস্ত হৈছে।

কৈলাশ – আমি আহৰণ বেছিকৈ কৰিবলৈ লোৱাৰ হেতুকে ব্যাপক হাৰত হাবি – বন কাটিব লগা হৈছে। ফলত বতৰৰ পৰিবৰ্তন অস্বাভাৱিক হৈ বায়ুমণ্ডলৰ উত্তাপ বৃদ্ধি, অতি বৃষ্টি, অনাবৃষ্টিতো হৈছেই লগতে বণ্য জীৱ –জন্তুৰ জীৱনলৈ ভাবুকিও আহ্বান কৰা হৈছে।

সীমা – অৰণ্য ধ্বংস কৰিবলৈ লোৱাৰ ফলতে জানো বনত খাদ্য আৰু আশ্ৰয় নোহোৱা হোৱাতেই আজি আসমৰ জনাঞ্চলত হাতীৰ উপদ্ৰৱ বৃদ্ধি পাব ধৰা নাই?

কৈলাশ – তুমি একেবাৰে সঁচা কথাকে কৈছা। ৰাজ্যত হাতী আৰু মানুহৰ সংঘাত তীব্ৰতৰ হ'ব ধৰিছে যাৰ ফলত ঘৰ – দুৱাৰৰ ক্ষতি হোৱাৰ উপৰিও প্ৰতি বছৰে বহু হাতী আৰু মানুহে প্ৰাণ হেৰুৱাব লগা হৈছে।

হিৰণ্য – পাহাৰীয়া অঞ্চল আৰু নদীৰ পাৰৰ গছ –গছনিবোৰ কটাৰ ফলত উন্মুক্ত ভূমিভাগত ক্ৰমাগত ভাৱে ভূমিস্খলন বৃদ্ধি পাব ধৰিছে আৰু তাৰ পৰিপ্ৰেক্ষিতেত নদীৰ গভীৰতাও হ্ৰাস পাব ধৰিছে।

কৈলাশ – ফলত বানপানী আৰু গৰাখহনীয়া ঘটাটো সহজ হৈ উঠিব ধৰিছে। সেয়ে এনে কাৰ্য ৰোধ কৰা নহ'লে দিন বাগৰাৰ লগে লগে পৰিস্থিতি অধিক জটিলতৰ হোৱাৰ সম্পূৰ্ণ স্থল আছে।

সীমা – গতিকে আমাৰ ভৱিষ্যতৰ সুৰক্ষাৰ স্বাৰ্থতে আমাৰ সম্পদসমূহ আহৰণত যথাসাধ্য মিতব্যয়িতা গ্ৰহণত তৎপৰতা প্ৰদৰ্শন কৰাটো পৰম কৰ্তব্য ৰূপে জ্ঞান কৰিব লাগিব।

কৈলাশ – পাশ্চাত্যৰ দেশসমূহত কিন্তু মিতব্যয়িতা গ্ৰহণত যথেষ্ট তৎপৰতা দেখুওৱা আমি কাৰ্যতঃ দেখিবলৈ পাওঁ। এইখিনিতে জাৰ্মাণীত ঘটা এটা সৰু কাণ্ডৰ কথা উল্লেখ কৰিব খুজিছোঁ। সেইটো ঘটিছিল হামবাৰ্গ চহৰত কেইবছৰ মানৰ আগেয়ে। চাকৰি সূত্ৰে তাত থকা চাৰিজন ভাৰতীয় যুৱকে কৰা খাদ্যদ্ৰব্যৰ অপচয়ৰ বাবে ককৰ্থনা শুনাৰ লগতে জৰিমণা ভৰিব লগাও হৈছিল।

সীমা – কেনেকৈ কি হৈছিল কওকচোন দাদা।

কৈলাশ – এবাৰ কি হৈছিল – ভাৰতীয় যুৱক কেইজনে এদিন এখন ৰেস্তঁৰাত লগ হৈ দুপৰীয়াৰ আহাৰ খোৱাৰ ব্যৱস্থা কৰি আহাৰ খোৱাত লাগিল। কিন্তু তেওঁলোকে প্ৰয়োজনতকৈ অধিক খাদ্য থালত লৈ শেষত খাব নোৱাৰি থালত ভালেখিনি খাদ্য এৰি খাদ্যৰ বিল দিয়াৰ বাবে কেচ কাউন্টাৰলৈ উঠি গৈছিল। সেই দৃশ্যটো পিছে তীক্ষ্ণভাৱে নিৰীক্ষণ কৰি আছিল তেওঁলোকৰ কাষতে খানা খাই থকা দুগৰাকী বৃদ্ধ মহিলাই। তাৰে এগৰাকী উঠি গৈ পইচা দিবলৈ উদ্যত হোৱা ভাৰতীয় ডেকাজনক প্ৰশ্ন কৰিলে – কিয় প্ৰয়োজনাধিক খাদ্য খোৱাৰ বাবে লৈ খাব নোৱাৰি অপচয় ঘটালে। তেতিয়া ভাৰতীয় ল'ৰাই কি উত্তৰ দিলে জানা?

সীমা – কিবা উত্তৰ দিলে জানো দাদা?

কৈলাশ – আমি থালত এৰিলত আপোনাৰ কি ক্ষতি হ'ল? আমিতো থালৰ হিচাপত পইচা দিছো নহয়? সেই উত্তৰ শুনি বৃদ্ধাৰ খং উঠিল আৰু লগে লগেই তেওঁ অপৰাধ অনুসন্ধাণ বিভাগলৈ ফোন কৰিলে।
হিৰণ্য – তাৰ পাছত?

কৈলাশ – তাৰ পাছত আৰু কি হ'ব – সংশ্লিষ্ট বিভাগৰ বিষয়া আহি তেনে গঢ়িত কাম কৰাৰ বাবে ৫০ মাৰ্ক, অৰ্থাৎ ভাৰতীয় হিচাপত ১৬৫০ টকা জৰিমনা বিহিলে। লগতে ককৰ্থনাও শুনালে – টকা তোমালোকৰ হ'ব পাৰে সামগ্ৰীখিনি কিন্তু সমাজৰ সকলোৰে।

হিৰণ্য – তাৰ বিপৰীতে কিন্তু আমাৰ দেশত অপচয় এক ফেচনত পৰিণত হ'ব ধৰিছে। ফলত দ্ৰব্যৰ নাটনি অৰধাৰিত নহ'ব কিয়?

কৈলাশ – গতিকে এনে দিশবিলাক উন্মোচিত কৰাৰ লগতে সম্ভাব্য প্ৰতিকাৰ সামৰি মই এখন গ্ৰন্থ প্ৰস্তুত কৰি উলিয়াইছোঁ। সেই গ্ৰন্থৰ উন্মোচনৰ ব্যৱস্থা আমাৰ ক্লাবঘৰটোতে কৰা হৈছে – কাইলৈ আবেলি ৩ বজাত। তোমালোকক তালৈ আমন্ত্ৰণ জনোৱাৰ বাবেই মই তোমালোকৰ ঘৰলৈ আহিলোঁ।

সীমা – অতি ভাল কথা দাদা। সেই কিতাপখনৰ নাম বাৰু কি ৰাখিছে?

কৈলাশ – ' আহৰণ বনাম অপচয়'। ইয়াত দ্ৰব্যৰ বহনক্ষম আহৰণৰ বিষয়ে বহু দিশ সামৰা হৈছে। গতিকে তোমালোক তালৈ যাবা বুলি আশা কৰিছো। বাৰু, ঠিক আছে – মই এতিয়া আহিছোঁ।

হিৰণ্য আৰু সিমা – ঠিক আছে দাদা। আমি নিশ্চয় যাম!

************************************************************
*******

প্ৰশ্ন প্ৰস্তুতি – ড০ শ্যামা প্ৰসাদ শৰ্মা

১. প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা আৰু বয় – বস্তুৰ নাটনি ৰোধ কৰাৰ অন্যতম উপযুক্ত পদ্ধতি হিচাপে এই খণ্ডটোত কিহৰ কথা কোৱা হৈছে?

**-- বহনক্ষম আহৰণৰ।**

**২. প্ৰকৃতিয়ে আমাৰ প্ৰয়োজন পূৰণৰ বাবে লগা সমলখিনি ঠিকমতেই দিছে। কিন্তু আমাৰ লোভ-লালসাইহে সেইবোৰ অকূলনীয় কৰি তুলিছে। - এই গুৰুত্বপূৰ্ণ উক্তি কোন মনীষীৰ?**

**-- মহাত্মা গান্ধীৰ।**

*************************************************************